অসমীয়া প্ৰতিদিন ■ গুৱাহাটী ■ শুকুৰবাৰ, ৩ জুন, ২০২২/১৯ জেঠ, ১৯৪৪ শক

আম আদমি পাৰ্টিয়ে পঞ্জাবত চৰকাৰ গঠন কৰিয়েই নিজ ৰাজ্যৰ কৰ্মচাৰীসকলৰ বাবে পুৰণি পেন্সন ব্যৱস্থা পুন বাহাল কৰাত ৰাষ্ট্ৰীয় ৰাজনীতিৰ চোতালত বিষয়টোক অধিক যুক্তিযুক্ত হিচাপে প্ৰতিষ্ঠা কৰাৰ উপৰি সমস্যাটো সমাধান অধিক প্ৰয়োজনীয় কৰি তুলিলে। সেয়ে দেশৰ চৰকাৰী কৰ্মচাৰী সমাজত এক আশাৰ ৰেঙনিৰ সঞ্চাৰ হৈছে

## এন পি এছৰ মায়াজাল

# কাৰ স্বাৰ্থত ৰাষ্ট্ৰীয় পেন্সন ব্যৱস্থা



অচ্যুতানন্দ হাজৰিকা

বিগত কেইবা বছৰ ধৰি ভাৰতবৰ্ষৰ চৰকাৰী কৰ্মচাৰীসকলে কৰি অহা ৰাষ্ট্ৰীয় পেন্সন ব্যৱস্থা (এন পি এছ) বিৰোধী সংগ্ৰামক ৰাজনৈতিক দল-সংগঠনে হঠাতে গুৰুত্বসহকাৰে লোৱা পৰিলক্ষিত হৈছে। ২০২২ বৰ্ষৰ ফেব্ৰুৱাৰী-মাৰ্চ মাহত হৈ যোৱা পাঁচখন ৰাজ্য (উত্তৰ প্ৰদেশ, পঞ্জাব, গোৱা, উত্তৰাখণ্ড, মণিপুৰ)ৰ বিধানসভা নিৰ্বাচনত এন পি এছ বিষয়টো অন্যতম নিৰ্বাচনী ইছ্যু হিচাপে প্ৰক্ষেপ কৰাৰ উপৰি কংগ্ৰেছশাসিত তিনিখন ৰাজ্য (ৰাজস্থান, ঝাৰখণ্ড আৰু ছত্তীশগড়)ই নিৰ্বাচনৰ প্ৰাক্‌ক্ষণত আৰু আম আদমি পাৰ্টিয়ে পঞ্জাবত চৰকাৰ গঠন কৰিয়েই নিজ ৰাজ্যৰ কৰ্মচাৰীসকলৰ বাবে পুৰণি পেন্সন ব্যৱস্থা পুনৰ বাহাল কৰাত ৰাষ্ট্ৰীয় ৰাজনীতিৰ চোতালত বিষয়টোক অধিক যুক্তিযুক্ত হিচাপে প্ৰতিষ্ঠা কৰাৰ উপৰি সমস্যাটোৰ সমাধান অধিক প্ৰয়োজনীয় কৰি তুলিলে। সেয়ে দেশৰ চৰকাৰী কৰ্মচাৰী সমাজত এক আশাৰ ৰেঙনিৰ সঞ্চাৰ হৈছে।

চৰকাৰে কৰ্মচাৰীজনৰ দৰমহাৰ ১৪ শতাংশ ধন অতিৰিক্তভাৱে আদায় দিয়াৰ বিপৰীতে কৰ্মচাৰীজনৰ দৰমহাৰ পৰা ১০ শতাংশ ধন কৰ্তন কৰি এন এছ ডি এল নামৰ সংস্থাৰ যোগেদি শ্বেয়াৰ বজাৰত বিনিয়োগ কৰে। বিনিয়োগৰ বিপৰীতে শ্বেয়াৰ বজাৰত আৰ্জিত ধন আৰু জমা হৈ থকা ধনৰ পৰা অৱসৰৰ সময়ত অধিকতম ৬০ শতাংশ ধন ব্যক্তিজনক ঘূৰাই দিব আৰু বাকী ৪০ শতাংশ ধন পুনৰ বিত্তীয় প্ৰতিষ্ঠানসমূহে

কৰ্মচাৰী সমাজ চৰকাৰী যন্ত্ৰৰ মধ্যমণি, সমাজ ব্যৱস্থাক শৃংখলিতভাৱে আগুৱাই নিয়াৰ কাণ্ডাৰী, থলুৱা অব্যৱস্থিত আৰু প্ৰশাসন ব্যৱস্থাই ঢুকি নোপোৱা অৰ্থনীতিৰ মূল চালিকা শক্তি। কৰ্মচাৰী এজনক দৰমহা দিয়াৰ ক্ষেত্ৰত মানি চলা হয় এক নিয়ম। এই নিয়মত অন্ন-বস্ত্ৰ-বাসস্থান-স্বাস্থ্য আদিৰ ক্ষেত্ৰত গড় প্ৰয়োজনৰ লগতে সামাজিক প্ৰতিষ্ঠাৰ প্ৰতি গুৰুত্ব দি দৰমহা নিৰ্ধাৰণ কৰা হয়। ২০১৭ চনৰ অসম দৰমহা আয়োগৰ

পুৰণি পেন্সন ব্যৱস্থা আৰু ৰাষ্ট্ৰীয় পেন্সন ব্যৱস্থাৰ মূল পাৰ্থক্য

| পুৰণি পেন্সন ব্যৱস্থা | নতুন পেন্সন ব্যৱস্থা |
|---|---|
| ১। কৰ্মচাৰীৰ পৰা আদায় লোৱা ধন শূন্য | দৰমহাৰ ১০ শতাংশ ধন |
| ২। পেন্সনৰ পৰিমাণ- শেষ মাহৰ দৰমহাৰ ৫০% | বজাৰৰ ওপৰত নিৰ্ভৰশীল |
| ৩। পেন্সন নিৰ্ভৰ কৰিব- চৰকাৰ দায়বদ্ধ | কোনো দায়বদ্ধ নহয়। |
| ৪। মূল্য বৃদ্ধিৰ ক্ষেত্ৰত- মহগীয়া বানচ প্ৰাপ্য | ব্যৱস্থা নাই |
| ৫। ভৱিষ্যনিধি- ব্যৱস্থা আছে। এই ধনৰ পৰা আগতীয়াকৈ আহৰণ কৰিব পাৰি। | ব্যৱস্থা নাই |
| ৬। সৰ্বনিম্ন পেন্সন- ৬,০০০ টকাকৈ মাহিলি | নাপাবও পাৰে। |

শ্বেয়াৰ বজাৰত বিনিয়োগ কৰি আহৰণ কৰা ধনৰ পৰা মাহিলি পেন্সন হিচাপে

হিচাপ অনুসৰি এটি সৰু পৰিয়ালৰ মাহিলি প্ৰয়োজন ১৪,৫৩২ টকা আৰু সেয়েহে

অধিকাংশই বৃদ্ধ বয়সত জীৱিকা হিচাপে নিজ ঘৰতে সৰু-সুৰা ব্যৱসায় চলোৱাৰ বাবে স্থানীয় ক্ষুদ্ৰ ব্যৱসায়ীসকল পাকে-প্ৰকাৰে পুনৰ ক্ষতিগ্ৰস্ত হৈছে। তথ্য অনুসৰি ২০২৬ চনলৈ অসমত কমেও ১,২০,০০০ জনে এন পি এছৰ অধীনত অৱসৰ গ্ৰহণ কৰিব। এই বৃদ্ধ আৰু অৰ্থনৈতিকভাৱে ক্ৰয় ক্ষমতা নথকা আৰু থলুৱা ব্যৱসায়ত পুনৰ নিয়োজিত হোৱা লক্ষ্যজনৰ বাবে অসমৰ স্থানীয় ক্ষুদ্ৰ ব্যৱসায়ীসকল এক ভয়ানক প্ৰত্যাহ্বানৰ সন্মুখীন হোৱাটো ধুৰুপ।

১৯৬৪ চনৰ পৰা অসমৰ দৰমহা আয়োগসমূহে নিশ্চিত কৰা চৰকাৰী কৰ্মচাৰীসকলৰ ন্যূনতম মাহিলি দৰমহা আছিল এনেধৰণৰ— ১৯৬৪ চনত ৮০ টকা, ১৯৭৩ চনত ১৮০ টকা, ১৯৮১ চনত ৩৭০ টকা, ১৯৯০ চনত ৯০০ টকা, ১৯৯৮ চনত ২,৪৫০ টকা, ২০০৮ চনত ৬,০৬০ টকা আৰু ২০১৭ চনত ১৫,৯০০ টকা।

দেখাত যদিও দেশৰ অৰ্থনৈতিক ঘাটি হ্ৰাস কৰাৰ উদ্দেশ্যে কৰ্মচাৰী আৰু পেন্সনাৰৰ বাবে কৰা খৰচ কৰ্তন কৰিবলৈ চৰকাৰে

এছ আঁচনিৰ বাবে চৰকাৰী অংশৰ ব ৯,৯০০ কোটি টকা এন এছ ডি এ আদায় দিছে। অহা পাঁচ বছৰত এই পৰি ২০,০০০ কোটি পাৰ হ'ব। মুষ্টিমেয় বিত্ত প্ৰতিষ্ঠানসমূহলৈ কোনো কষ্ট নকৰা সহজলভ্য এই বৃহৎ ধনৰ প্ৰবাহে দে অৰ্থনীতিত নেতিবাচক প্ৰভাৱ পেল পাৰে। এন পি এছৰ ধন দেশৰ অৰ্থনী নিয়ন্ত্ৰণ কৰি থকা ঘাই বিত্তীয় প্ৰতিষ্ঠানসমূ সংগ্ৰহ কৰে, সেইসমূহে আন বিত্ত প্ৰতিষ্ঠানক দিয়ে, তেওঁলোকে আকৌ অ প্ৰতিষ্ঠানক দিয়ে, এনেদৰে গৈ গৈ এ সময়ত নিৰ্দিষ্ট কিছুমান শক্তিশালী ব্যক্তি বা প্ৰতিষ্ঠানলৈ যোৱাৰ কথা শুনা যায় অৰ্থাৎ ঘূৰি-পকি এই ধনসমূহ এনে এ চক্ৰৰ হাতোৱালৈ অগ্ৰসৰ হয়, যিসকলে প্ৰকৃতাৰ্থত অৰ্থনীতিৰ সাম্ৰাজ্যখন দখল কৰি আছে। আপোনালোকে ভাবক, এইসকলে ইচ্ছা কৰিলে কি কৰিব নোৱাৰে? অৰ্থাৎ এই ব্যৱস্থাৰে চৰকাৰী প্ৰশাসন প্ৰণালীক একাংশ মুষ্টিমেয় ব্যক্তিৰ হাতোৱাত বন্দী কৰোৱাটোৱেই মুখ্য উদ্দেশ্য বুলি ক'লেও ভুল কোৱা নহ'ব। এয়া ঔপনিবেশিক আগ্ৰাসনৰ নামান্তৰ বুলি ক'লেও হয়তো ভুল কোৱা নহ'ব। অসমৰ দৰে এখন সৰু ৰাজ্যৰ পৰা ২০,০০০ কোটি টকাৰ বহিৰ্গমনে অৰ্থনৈতিকভাৱে ৰাজ্যখনক অসুবিধাত পেলোৱাটো খাটাং। তথ্য অনুসৰি যোৱা জানুৱাৰী ২০২২ মাহলৈ এনে পি এছ আঁচনিৰ বাবদ কেন্দ্ৰীয় আৰু ৰাজ্যিক চৰকাৰসমূহে এন এছ ডি এলক ৬,৫০,০০০ কোটি টকা আদায় দিছে। শ্বেয়াৰ বজাৰৰ উত্থান-পতন বা অসৎ ব্যক্তিৰ নিৰ্দেশত যদিহে এই ধনৰ দহ শতাংশৰো খেলিমেলি হয়, কৰ্মচাৰী সমাজকেই নহয়, বৰং চৰকাৰী ব্যৱস্থা, সমাজ আৰু দেশৰ অৰ্থনীতি বিধ্বস্ত কৰাৰ পৰিবেশ আহিব পাৰে বা আনিব পাৰে। উল্লেখযোগ্য যে যোৱা মাত্ৰ দুমাহ ধৰি চলি থকা বাছিয়া, ইউক্ৰেইনৰ যুদ্ধৰ বাবে

দেশৰ অৰ্থনৈতিক ব্যৱস্থাক সুস্থিৰ কৰাৰ অজুহাতত সেই সময়ৰ শাসনত থকা কংগ্ৰেছ আৰু বিজেপি দুয়ো দলৰ সমৰ্থনত চৰকাৰী কৰ্মচাৰীসকলৰ বাবে এন পি এছ আঁচনি প্ৰৱৰ্তন কৰে। এই ব্যৱস্থাৰ যোগেদি ২০০4 চনৰ ১ জানুৱাৰীৰ পিচত নিযুক্ত কেন্দ্ৰীয় চৰকাৰৰ কৰ্মচাৰীসকলৰ অৱসৰকালীন অৰ্থনৈতিক সুৰক্ষাৰ (যাক পেন্সন বুলি কোৱা হয়) বিষয়টো মুষ্টিমেয় বিত্তীয় প্ৰতিষ্ঠান একাংশৰ হাতত ন্যস্ত কৰা হৈছে। কেন্দ্ৰীয় চৰকাৰৰ নিৰ্দেশ শিৰোধাৰ্য কৰি অসম চৰকাৰেও পহিলা ফেব্ৰুৱাৰী, ২০০৫ চনৰ পিচত নিযুক্ত ৰাজ্যিক কৰ্মচাৰী সমাজৰ বাবে অনুৰূপ ব্যৱস্থা বলৱৎ কৰিছে। সেই সময়ত দেশৰ তিনিখন কমিউনিষ্ট দল শাসিত ৰাজ্য পশ্চিমবংগ, কেৰালা আৰু

**এন পি এছ আঁচনিত অৱসৰপ্ৰাপ্ত কেইজনমান পেন্সনাৰে পোৱা মাহিলি পেন্সনৰ পৰিমাণ**

| নাম | মাহিলি পেন্সন |
|---|---|
| ১। হৰেশ্বৰ বাভা, গোৱালপাৰা | ১,০২৩ |
| ২। অজিত কলিতা, বৰপথাৰ | ১,০৫০ |
| ৩। গঙ্কেশ্বৰ মিলি, বিশ্বনাথ | ১,২৫০ |
| ৪। তুলাৰাম বৰুৱা, বিশ্বনাথ | ৯৪১ |
| ৫। পুলিন দাস, গহপুৰ | ৭৫০ |
| ৬। জয়ৰাম দিহিঙীয়া, ডিব্ৰুগড় | ৯০০ |
| ৭। অতুল দাস, বিজয় নগৰ | ১,০০০ |
| ৮। কৰুণা ডেকা, গোলাঘাট | ৬৫৭ |
| ৯। মঞ্জুপ্ৰভা মহন্ত, গোলাঘাট | ৮৬২ |
| ১০।সবিতা দাস, গোৱালপাৰা | ৯৯৯ |

ত্ৰিপুৰাৰ বাহিৰে আন সকলো ৰাজ্যই এই ব্যৱস্থা বলৱৎ কৰিছিল যদিও পৰৱৰ্তী সময়ত কেৱল পশ্চিমবংগ চৰকাৰহে নিজৰ স্থিতিত অটল হৈ আছে।

ৰাষ্ট্ৰীয় পেন্সন ব্যৱস্থা বা এন পি এছত কৰ্মচাৰীসকলৰ অৱসৰকালীন আৰ্থিক সুবিধাৰ বাবে কৰ্মৰত অৱস্থাত প্ৰতি মাহে ব্যক্তিজনক আদায় দিব। অৰ্থাৎ কৰ্মচাৰীজনৰ অৱসৰৰ সময়ছোৱাত আৰ্থিক প্ৰয়োজনৰ সমস্ত দায়িত্ব চৰকাৰৰ সলনি নিৰ্দিষ্ট বিত্তীয় প্ৰতিষ্ঠানে পালন কৰিব। যি সময়ত দেশৰ অধিকাংশ চৰকাৰী-বেচৰকাৰী বিত্তীয় প্ৰতিষ্ঠানৰ বিয়াগোম কেলেংকাৰীয়ে দেশৰ অৰ্থনীতিক জুৰুলা কৰিছে, সেই সময়তেই পেন্সনৰ দৰে স্পৰ্শকাতৰ দায়িত্ব এই বিত্তীয় প্ৰতিষ্ঠানসমূহক ন্যস্ত কৰাটো অতিকে চিন্তনীয়।

পেন্সন ব্যৱস্থাৰ মুখ্য উদ্দেশ্য হৈছে চৰকাৰী কৰ্মচাৰী এজনে সুদীৰ্ঘকাল চৰকাৰী ব্যৱস্থাত থাকি চৰকাৰ তথা সমাজক আগবঢ়োৱা সেৱাৰ বাবদ বৃদ্ধ বয়সত আৰ্থিক সুৰক্ষা প্ৰদান কৰা। এই ব্যৱস্থাৰে এজন ব্যক্তিক তেওঁৰ কামৰ বাবে সন্মানসহকাৰে জীয়াই থকাৰ বাবে প্ৰয়োজন, অৰ্থাৎ অন্ন-বস্ত্ৰ-বাসস্থান, চিকিৎসাজনিত প্ৰয়োজন আদিৰ ক্ষেত্ৰত সকাহ দিয়া হয়।

যোৱা কেইবছৰত ৰাজ্যখনত এন পি এছ আঁচনিৰ অধীনত প্ৰায় ৭,০০০ জন চৰকাৰী বিষয়া, শিক্ষক-কৰ্মচাৰীয়ে অৱসৰ গ্ৰহণ কৰিছে। এওঁলোকে এই আঁচনিৰ পৰা পোৱা মাহিলি পেন্সনৰ পৰিমাণ শুনি সকলোৰে চকু কপালত উঠিছে। এইসকলৰ কোনোৱে মাত্ৰ ৫০০ টকা, কোনোৱে মাত্ৰ ৮০০ টকা বা কোনোৱে মাত্ৰ ১,২০০ টকাকৈ মাহিলি পেন্সন পাইছে। অৱসৰ পোৱা ব্যক্তিসকলৰ ৯৫ শতাংশই মাহিলি ১,২০০ টকাতকৈও কমকৈ পেন্সন পোৱাৰ বিপৰীতে কেৱল ৪-৫ শতাংশ ব্যক্তিয়েহে মাহিলি ১,৫০০ ৰ পৰা ৩,০০০ টকাপৰ্যন্ত পাবলৈ সক্ষম হৈছে। এই ৭,০০০ জনৰ প্ৰতিজনে জীয়াই থকাৰ তাড়নাত বৃদ্ধাৱস্থাতো নতুনকৈ উপাৰ্জনৰ পথ বিচাৰি ফুৰিবলৈ বাধ্য হৈছে। কিমান সুৰক্ষিত আজিৰ চৰকাৰী কৰ্মচাৰী সমাজ?

১৫,৯০০ টকাৰ ন্যূনতম দৰমহা নিৰ্ণয় কৰা হৈছিল। এক কথাত ক'বলৈ গ'লে কৰ্মচাৰী সমাজক দিয়া দৰমহা প্ৰকৃততে তেওঁলোকৰ

এন পি এছ আঁচনি প্ৰৱৰ্তন কৰিছিল, ইয়াৰ অন্তৰ্নিহিত উদ্দেশ্য লাহে লাহে স্পষ্ট হৈ পৰিছে। অৰ্থনৈতিক ব্যৱস্থাৰ মোকাবিলা



**কৰ্মচাৰী সমাজ যে শাসন ব্যৱস্থাৰ ধৰণীস্বৰূপ, সেয়া চৰকাৰ গঠন কৰা ৰাজনৈতিক দলসমূহে পাহৰি যায় বা গুৰুত্ব নিদিয়ে।**

**যোৱা কেইবছৰত এন পি এছ আঁচনিৰ বাবে ৰাজ্য চৰকাৰে আদায় দিয়া ধনৰ পৰিমাণ**

| | |
|---|---|
| ২০১৫-১৬ চন | ১,০৫৯ কোটি ৪২ লাখ |
| ২০১৬-১৭ চন | ৬১৬ কোটি ২৭ লাখ |
| ২০১৭-১৮ চন | ১,১৩১ কোটি ৩৯ লাখ টকা |
| ২০১৮-১৯ চন | ৮৯০ কোটি ৬ লাখ টকা |
| ২০১৯-২০ চন | ১,৫০০ কোটি টকা |

বৰ্তমানৰ প্ৰয়োজন পূৰণৰ বাবেহে আদায় দিয়া হয়। অৰ্থাৎ যিখিনি দিয়ে, সেইখিনি তেওঁলোকৰ ভৱিষ্যৎ সঞ্চয়ৰ বাবে পৰ্যাপ্ত নহয়। আনহাতে কৰ্মচাৰীসকলৰ দৰমহাৰ ৯৫ শতাংশ ধন খোৱা-বোৱা আৰু নিত্য প্ৰয়োজনৰ বাবে খৰচ হয় আৰু প্ৰত্যক্ষভাৱে স্থানীয় বজাৰলৈ ঘূৰি আহে। এই ৭,০০০ জন ব্যক্তিৰ অৰ্থনৈতিক দুৰৱস্থাৰ বাবে চুবুৰীয়া ব্যৱসায়ীসকল কম-বেছি পৰিমাণে ক্ষতিগ্ৰস্ত হোৱাটো স্বাভাৱিক। আকৌ জীৱন ধাৰণৰ তাড়নাত এই ৭,০০০ জনৰ

কৰাৰ বাবে যদিও চৰকাৰে বিভিন্ন ব্যৱস্থা গ্ৰহণ কৰাৰ ঢাক-ঢোল বজাই থাকে, প্ৰকৃততে চৰকাৰী ব্যৱস্থাৰ উত্তৰণৰ কোনো বাস্তৱসন্মত ব্যৱস্থা গ্ৰহণ কৰা দেখা নাই। বৰং উন্নয়নৰ অজুহাতত একাংশ বণিক শ্ৰেণীক সন্তুষ্ট কৰাৰ স্বাৰ্থতে চৰকাৰী সম্পদ ব্যক্তিগত প্ৰতিষ্ঠানসমূহৰ হাতত ন্যস্ত কৰাৰ পৰম্পৰা যোৱা ২৫-৩০ বছৰৰ পৰাই চলাই থকা হৈছে। এন পি এছ আঁচনি এই প্ৰক্ৰিয়াৰ এক অংশহে মাত্ৰ। তথ্য অনুসৰি ২০২১-২২ বিত্তীয় বৰ্ষলৈ অসম চৰকাৰে এন পি

ইতিমধ্যে এন পি এছ আঁচনিৰ ধনত এক বৃহৎ প্ৰভাৱ পৰিছে। অনাগত দিনত ভাৰতবৰ্ষই প্ৰত্যক্ষভাৱে লিপ্ত হ'ব পৰা যুদ্ধ বা অৰ্থনৈতিক সংকটৰ সময়ত বৃদ্ধ ব্যক্তিসকল পথৰ ভিখাৰী হোৱাৰ বাহিৰে গত্যন্তৰ নাথাকিব।

কৰ্মচাৰী সমাজ যে শাসন ব্যৱস্থাৰ ধৰণীস্বৰূপ, সেয়া চৰকাৰ গঠন কৰা ৰাজনৈতিক দলসমূহে পাহৰি যায় বা গুৰুত্ব নিদিয়ে। এয়া হয়তো চৰকাৰী কৰ্মচাৰী সমাজে ভোটদানৰ ক্ষেত্ৰত দেখুওৱা এলাহৰ বাবে হ'ব পাৰে। বিষয়া, শিক্ষক-কৰ্মচাৰীসকল শিক্ষিত হোৱাৰ উপৰি সমাজৰ সন্মানীয় ব্যক্তি হোৱা বাবে নিজ পৰিয়ালৰ লগতে চুবুৰীয়াসকলৰ সামাজিক, ৰাজনৈতিক সিদ্ধান্তক প্ৰত্যক্ষভাৱে প্ৰভাৱিত কৰে। আনহাতে অসমৰ দৰে ৰাজ্যৰ শিক্ষিত আৰু অতি শিক্ষিত ব্যক্তিসকল চৰকাৰী চাকৰিক জীৱিকা হিচাপে পাবলৈ ইচ্ছুক। আজি মাত্ৰ ৭,০০০ জনৰ আৰ্থিক সংকট সকলোৱে দৃষ্টিত নপৰিলেও অনাগত সময়ত লক্ষজনে এন পি এছ ব্যৱস্থাত অৱসৰ গ্ৰহণ কৰিলে, ই হৈ পৰিব সকলোৰে বাবে এক চিনাকি ছবি। এইসকলৰ জীৱনযুদ্ধ আৰু আৰ্থিক অভাৱে যেতিয়া প্ৰত্যেক গাঁও-চহৰত চিনাকি হৈ পৰিব, প্ৰতিজন শিক্ষিত যুৱক-যুৱতী, কৰ্মচাৰী আৰু তেওঁলোকৰ চুবুৰীয়া-শুভাকাংক্ষীসকল চৰকাৰ আৰু ৰাজনৈতিক দল, ব্যক্তিসকলৰ প্ৰতি অনাস্থা আৰু মোহভংগ হোৱাৰ পৰিবেশ আহিবও পাৰে। আনহাতে বৰ্তমানে কৰ্মৰত কৰ্মচাৰী সমাজে নিজৰ ভৱিষ্যৎ অৱসৰী জীৱনক সুৰক্ষিত কৰাৰ স্বাৰ্থক অগ্ৰাধিকাৰ দি বক্ৰপথেৰে ধন উপাৰ্জন কৰাৰ মানসিকতা যদিহে গ্ৰহণ কৰে, প্ৰশাসন ব্যৱস্থাক তচনচ কৰি পেলোৱাৰ সম্ভাৱনা আছে।